কম্পিউটাৰ আৰু অসমীয়া ভাষা

বিংশ শতিকাৰ শেষভাগৰ ডিজিটেল মাধ্যম এক সৰ্বজনীন মাধ্যম হৈ উঠিল। বিশ্বৰ সমাজ-সভ্যতাৰ প্ৰতিটো ক্ষেত্ৰতেই ছপা মাধ্যমৰ সমান্তৰালভাৱে ডিজিটেল মাধ্যমও উপলব্ধ হ'ল। ডিজিটেল মাধ্যম মূলতঃ অপাৰেটিং ছিষ্টেম (যেনে windows, Linux, Mac), ইণ্টাৰনেট (অন্তঃজাল) আৰু ছফ্‌টৱেৰ (যেনে MS office, Internet Explorer, Firefox) ইত্যাদিকেই বুজোৱা হৈছে। ইণ্টাৰনেটৰ যোগেদি ডিজিটেল পৃথিৱীখনক এক নতুন গতি প্ৰদান কৰে।

ছপা মাধ্যমত অসমীয়া ভাষাই আঠুৱাম শতিকাৰ দিনৰেপৰা বিভিন্ন যুগৰ মানুহৰ আহিলাৰ অৱস্থা পাইছে। কিন্তু ডিজিটেল মাধ্যমত অসমীয়া ভাষা বহু দিনলৈ ব্যৱহাৰযোগ্য হৈ উঠা নাছিল। 2006 চনমানলৈকে অসমীয়া ভাষাৰ ৱেবচাইট বুলি ক'লে বিপুলজ্যোতি শইকীয়াৰ geocities.com/bipuljyoti, xophura.net, rupaliparda.com - আদিৰ নামোল্লেখ কৰিব পাৰি। 2002 চনৰ 2 জুনত অসমীয়া ৱিকিপিডিয়াই সূচক ডমেইন লাভ কৰে। অৱশ্যে 2006 চনৰ আগৰপৰাই ৱিকিপিডিয়াৰ কিছু প্ৰাৰম্ভিক কাম-কাজ আগবাঢ়ে। 2006 চনত ৰিক্সম মজিন্দাৰ বৰুৱাৰ দ্বাৰা প্ৰথম অসমীয়া

অনলাইন অভিধান শব্দ ডট অর্গ (xoldo.org)
-ৰ শুভাৰম্ভ হয়। 'শব্দ ডট অর্গ'- ৰ· আৰম্ভ
হোৱাৰ পৰা অসমীয়া ভাষা ইণ্টাৰনেট ইটনি-
ক'ড ৰূপত সহজে উপলব্ধ হয় আৰু ইয়াৰ প্ৰসাৰ
আৰু প্ৰচাৰৰ বাবে গুগল গ্ৰুপ, অৰ্কুট, ফেচবুক
আদিত বহু অসমীয়া যুৱক-যুৱতীয়ে নিষ্ঠাপৰ
হৈছিল আৰু অসমীয়া যুৱক-যুৱতীয়ে নিষ্ঠাপৰ
স্বেচ্ছাসেৱকৰূপে আত্মপ্ৰকাশ কৰে। ২০০৬ চনত
ভাৰত চৰকাৰৰ যোগাযোগ আৰু তথ্য-প্ৰযুক্তি
বিকাশ মন্ত্ৰালয়ৰ অধীনত 'বিকাশপেডিয়া'
প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। অসমীয়া ভাষাই ২০১০
চনত বিকাশপেডিয়াৰ ডমেইন (স্বীকৃতি) লাভ কৰে।
২০১০ চনত অসমীয়া ভাষী নেটিজেনসকলৰ
অসমীয়া লিপিৰে অসমীয়া লিখোৱাৰ উদ্দেশ্যে
'অসমীয়াত কথা বতৰা' নামৰ ফেচবুক গোটটিৰে
জন্ম দিয়া হৈছিল। ২০১০ চনৰ মাৰ্চমাহত 'প্ৰনজৰ্ণ'
ই-আলোচনীৰ জন্ম দিয়ে হিমাজ্যাত অনুকাদৰে।
'প্ৰনজৰ্ণ' প্ৰথম অসমীয়া ই-আলোচনী। ২০১১
চনত 'অসমীয়াত কথা বতৰা' নামৰ ফেচবুক
গোটৰ দ্বাৰা 'সাহিত্য ডট অৰ্গ' শীৰ্ষক ই-আলোচনী
মন প্ৰকাশ কৰা হ'ল। এইটোৱেই হৈছে অসমীয়া
সাহিত্যৰ প্ৰথমটো কমিউনিটি ভিত্তিক ৱেব-পৰ্টেল।
ফেচবুকত অসমীয়া ভাষা অসমীয়া লিপিত লিখা
বহুতো গোট আছে। তাৰেই কেইবাটৰ ভিতৰত আমি
অসমীয়া, ৱৰ্ডপ্ৰেছ ৱৰ্ডপ্ৰেছ, মুক্ত চিন্তা, অৰ্ব-আকাশ,
ফটো ফোটো আদি উল্লেখযোগ্য।

Scanned with CamScanner

কম্প্যুটৰত অসমীয়া লিখিব পৰা কামটোও ইমান সহজসাধ্য নাছিল। ১৯৮৩ চনত Modular Info Tech Pvt. Ltd. নামৰ এটা কোম্পানীয়ে ভাৰতীয় ভাষাত লিখিবপৰা কম্প্যুটৰৰ আঁজুলি আৰু ফণ্টৰ সৃষ্টি কৰিছিল। তেওঁ কোম্পানীটোৰ নির্মাণ কৰা শ্রীলিপি নামৰ চফ্টৱেৰটোৰ ভিতৰত বাংলা ভাষাত লিখিব পৰাকৈ অনেক ফণ্ট তৈয়াৰ কৰিছিল। পৰৱর্ত্তী সময়ত গীতাঞ্জলি, বিদ্যাসাগৰ, চেতনা-আদি বাংলা ফণ্টবোৰৰ সহায়েৰে পেজমেকৰৰ চুফ্টৱেৰত অসমীয়া ভাষাত লিখাৰ কাম-কাজ আৰম্ভ হয়। ১৯৯২ চনত উৎপল বৰুৱা, প্রিদীপ-কুমাৰ বৰুৱা আৰু তেওঁলোকৰ সহযোগীসকলে কম্প্যুটৰত অসমীয়া লিখিবৰ বাবে সম্পূর্ণ-ভাবে এটা চুফ্টৱেৰ নির্মাণ কৰে। তেওঁলোকে নির্মাণ কৰা 'বামবেনু' নামৰ চুফ্টৱেৰটোৱে বর্তমান কম্প্যুটৰত অসমীয়া লিখিবৰ বাবে ব্যৱহৃত দুখন অন্যতম চুফ্টৱেৰ। কম্প্যুটৰত অসমীয়া লিখিবৰ বাবে সকলো অসমীয়া কী-বর্ডৰ বিকাশ হয় ইউনিকোড প্রণালীৰ উদ্ভাৱনৰ পিছৰ পৰাই। প্রথম অৱস্থাত কম্প্যুটৰত লিখিবৰ বাবে মূল বাংলা কী-বর্ডসমূহতে অসমীয়া 'ৱ' আৰু 'ৰ'-ৰ বিকাশ ঘটাই অসমীয়া লিখিবৰ ব্যৱস্থা কৰা হৈছিল। শ্রীলিপিৰ পিছত তিনি কী-বর্ডসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল — দক্ষিণ-ভাৰতৰ 'বৰহ' (Baraha) আৰু বাংলাদেশৰ 'অভ্র' (Avro) ইয়ৰ পিছত বহুকেইজন ব্যক্তিৰ নিজস্ব চিন্তা-

চৰ্চাৰে কম্পিউটাৰত লিখিবৰ বাবে কেইবাখনো অসমীয়া কিবোৰ্ডৰ নিৰ্মাণ কৰিছিল। আমাৰ প্ৰকাশৰ অসমীয়া কিবোৰ্ডসমূহক মূলতঃ তিনিটা ভাগত ভগাব পাৰি —

১। কেৱল কম্পিউটাৰৰ ব্যৱহাৰ কৰিব পৰা কিবোৰ্ড
২। কম্পিউটাৰ আৰু মোবাইল ফোন উভয়তে ব্যৱহাৰ কৰিব পৰা কিবোৰ্ড
৩। কেৱল মোবাইল ফোনত ব্যৱহাৰ কৰিব পৰা কিবোৰ্ড

বৈশিষ্ট্যৰ আধাৰত অসমীয়া কিবোৰ্ডসমূহক আন দুটা ভাগতো ভগাব পাৰি। যেনে হ'ল

১। পেজমেকাৰত ব্যৱহাৰ কৰিব পৰা কিবোৰ্ড
২। ইউনিকডত ব্যৱহাৰ কৰিব পৰা কিবোৰ্ড

আগতে আখৰ বা বৰ্ণৰ স্থান, প্ৰয়োগৰ পদ্ধতি অনুসাৰে কিবোৰ্ডসমূহক দুটা ভাগত ভগাব পাৰি। যেনে হ'ল —

১। ফনেটিক কিবোৰ্ড (Phonetic Keyboard)
২। ইনস্ক্ৰীপ্ট কিবোৰ্ড (Inscript Keyboard)

অসমীয়া কিবোৰ্ডসমূহৰ ভিতৰত 'শব্দ', 'বামাবৰ্তন', 'ৰ'দলি', 'জাকৰী', 'লাচিত', 'ইজি ডিটিপি ফন্ট', 'উইনলিপি', 'সুগন ইন্ডিক কিবোৰ্ড, লিপিকাৰ - আদি অন্যতম। বৰ্তমান অসমীয়া ভাষাত লিখিবলৈ পেজমেকাৰত বা অন্যান্য সাৰ্বজনসমূহত বামাবৰ্তন ফন্টৰেৰাটোৰেই সৰ্বাধিক ব্যৱহাৰ হয়। বামাবৰ্তন কিবোৰ্ডৰ দ্বাৰা ইউনিকডত

আৰু নন ইউনিকড - উভয় মাধ্যমতে অসমীয়া ভাষাত লিখিব পাৰি। ফ্লাৰৱাইনত বাম্বুবেন্ কিবোৰ্ড ব্যৱহাৰ কৰিব পাৰিব। ৱাৰ্ডপ্লি হৈছে 'ভাষা প্ৰযুক্তি বিকাশ সংস্থা, অসম'ৰ দ্বাৰা নিৰ্মিত প্ৰথম অসমীয়া ইউনিক'ড লিখন চফ্টৱেৰ। 2012 চনত ইয়াক উন্মোচন কৰা হয়। ফ্লাৰৱাইনত ৱাৰ্ডপ্লি কিবোৰ্ডৰ ব্যৱহাৰ কৰিব পাৰি। 2020 চনত নিৰ্মাণ হয় 'জাহ্নবী' নামৰ চফ্টৱেৰটো। অসমীয়া, বাংলা, হিন্দী, টাই আহোম আদি ভাষাত জাহ্নবী কিবোৰ্ড উপলব্ধ। 2020 চনত লাচিত ডেৱ অৰ্গৱ আৰম্ভ হয়। নিৰ্মাতা হ'ল মৃদুল কুমাৰ শৰ্মা। লাচিত অসমীয়া ভাষাৰ লিখন আঁজুলিৰ প্ৰথম সম্পূৰ্ণ চফ্টৱেৰ। ইনস্ক্ৰিপ্ট আৰু ফনেটিক - দুয়োটা পদ্ধতিতে ইয়াৰ কিবোৰ্ডসমূহ চলাব পাৰা যায়। লাচিত কনভাৰ্টাৰৰ - সহায়ত চলজুমকাৰৰসৰা ইউনিক'ড আৰু ইউনি-ক'ডৰসৰা চলজুমকাৰলৈ ডাঁ কনভাৰ্ট কৰিব পাৰি। ফ্লাৰৱাইনত লাচিত কিবোৰ্ড ব্যৱহাৰ কৰিব পাৰি। 'ইণ্ডিজ ডিজিটেল চফ্টৱেৰ'ৰ নিৰ্মাতা অনিল বৰুৱা। ফ্লাৰৱাইনত 'ইণ্ডিজ ডিজিটেল চফ্টৱেৰ' - ব্যৱহাৰ কৰিব নোৱাৰি। চাইবীয়া জাৰ অনিল বৰুৱাই ফ্লাৰৱাইনত ব্যৱহাৰ কৰিব পৰা 'আৱাম অভিধান এপ' নামৰ এখন অনলাইন অভিধান প্ৰকাশ কৰিছে। চলজুমকোৰত উইনলিপিৰ ভাৰিয়ন্ট অসমীয়াত ডিজিটেল কৰিব পাৰি। ফ্লাৰৱাইনত - উইনলিপি কিবোৰ্ড ব্যৱহাৰ কৰিব নোৱাৰি। লিপিকাৰ কিবোৰ্ডখন এক প্ৰকাৰ বহুভাষিক

ইফাইৰৰ। বিশিষ্টকাৰ বিকাশকাইডৰ দ্বাৰা কম্পিউটাৰৰ আৰু ছফ্টৱাৰসমূহত অসমীয়া ভাষাৰ লিখিব পাৰি।

বৰ্তমান কম্পিউটাৰৰ বা লেপটপত ব্যৱহাৰ কৰা windows-10, windows-8.1 আদিত ইউনিকডত লিখিবলৈ windows-ৰ লগতেই বিশ্বৰ বিভিন্ন ভাষাৰ কিবৰ্ড ইনষ্টল হৈ থাকে। অসমীয়া ভাষাৰো এনে কিবৰ্ডৰ সুবিধা আছে। অবশ্যে এনে কিবৰ্ড কেৱল ইউনিকডৰ কাৰণেই।

ইউনিকডে হৈছে কম্পিউটাৰৰ লিখন প্ৰণালী সকল আখৰ বা চিনৰাৰৰ অংহত নিয়ন্ত্ৰীকৰণ নিৰ্দেশনা আৰু প্ৰতিনিৰ্বিত্ব কৰিব সৰ্বাধিক ব্যৱহৃত এক কাৰিকৰী মান। চমুকৈ ইউনিকডে হ'ল এনে এটা পদ্ধতি - যাৰ দ্বাৰেই ডিজিটেল আৰ্বিভূত পৃথিৱীৰ কোনো ভাষাই নিজৰ সুকীয়া অস্তিত্ব দমন কৰিবলৈ সক্ষম নহয়। ১৯৯১ চনত Unicode consortium নামৰ অংগঠনটোৱে ইয়াক উদ্ভাৱন কৰে। ইউনিকডে প্লেটফৰ্ম, প্ৰগ্ৰেম বা ভাষাৰ নিৰিখেই প্ৰতিটো চিনাকি গ্ৰাফেমে অদ্বিতীয় - সংখ্যা প্ৰদান কৰে। ইণ্টাৰনেটত অসমীয়া ভাষাৰ ইউনিকডৰ উপস্থিতিৰ আৰম্ভণি বহু পৰ্যায়লৈকে ভৰা।

ৱিকিপিডিয়া / ৱিকিছোৰ্চ (wikisource)